# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-SEP-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১।  দেশৰ আন আন ঠাইৰ লগতে অসমতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিন উদযাপন। ৰাজ্যৰ জিলাই জিলাই সেৱা সপ্তাহ কাৰ্যসূচীৰ শুভাৰম্ভ।
২।  অসমৰ গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ ২১৪ কোটি টকাৰ অনুদান।
৩।  বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি বাবে মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।
৪।  সমগ্ৰ ৰাজ্যতে আজি উলহ-মালহেৰে বিশ্বকৰ্মা পূজা পালন। আকাশবাণী গুৱাহাটীতো শ্ৰদ্ধা-ভক্তিৰে বিশ্বকৰ্মা পূজা।   *আৰু*
৫।  আই চি চিৰ টি-টুৱেণ্টি ৰেংকিঙত ভাৰতৰ স্পীনাৰ বৰুণ চক্ৰৱৰ্তী শীৰ্ষ স্থানলৈ উন্নীত।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ ২০২৫** শীৰ্ষক ৰাজ্যিক অনুষ্ঠান গুৱাহাটী বশিষ্ঠ মন্দিৰ প্ৰাংগণত আজি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই শুভাৰম্ভ কৰে। স্বচ্ছ ভাৰত অভিযান, গ্ৰামীণ আৰু স্বচ্ছ ভাৰত অভিযান নগৰৰ সহযোগত গুৱাহাটী পৌৰ নিগমে আয়োজন কৰা এই অনুষ্ঠানৰ শুভাৰম্ভ কৰি মন্ত্ৰী শ্ৰীমল্লবৰুৱাই কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি আহিছে। সেয়েহে প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰতিবছৰে স্বচ্ছতাই সেৱা কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে ৰাজ্যসমূহক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ** শীৰ্ষক কাৰ্যসূচীয়ে ৰাজ্যখনত বহনক্ষম স্বচ্ছতাৰ পৰিৱেশ সৃষ্টিত অৰিহণা যোগাব। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে আজিৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰক্তদান শিবিৰ অনুষ্ঠিত হৈছে।

**বাইট (জয়ন্ত মল্লবৰুৱা)**

উল্লেখযোগ্য যে উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত বিধায়ক অতুল বৰা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ লগতে অন্যান্য সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া উপস্থিত থাকে।

দৰং জিলাৰ মঙলদৈতো **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ** শীৰ্ষক কাৰ্যসূচীৰ অংশস্বৰূপে ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আৰু স্থানীয় বেচৰকাৰী সংস্থাৰ সহযোগত অনুষ্ঠিত এই শিবিৰত বিধায়কদ্বয় বসন্ত দাস, ড০ পৰমানন্দ ৰাজবংশী, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ লগতে বহুকেইজন ব্যক্তি উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী মোদীৰ ৭৫ সংখ্যক জন্মদিন উপলক্ষে মৰিগাঁও জিলাতো **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ** শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজি প্ৰথম দিনা জিলা স্বাস্থ্য সমিতি আৰু ছহিদ তিলক হেমৰাম গুণাভিৰাম অসামৰিক চিকিৎসালয়ৰ উদ্যোগত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়।

কাছাৰ জিলা আৰু আৰক্ষী প্ৰশাসনৰ উদ্যোগত তথা শিলচৰ মেডিকেল কলেজ হাস্পতালৰ সহযোগত প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিনৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি বৃহৎ ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী মোদীৰ জন্মদিন উপলক্ষে শ্ৰীভূমি জিলাৰ স্বাস্থ্য বিভাগৰ উদ্যোগতো দুটা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়।

চৰাইদেউ জিলাতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি সেৱা সপ্তাহৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে আজি ৰক্তদান শিবিৰ, চিকিৎসা আৰু স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। চৰাইদেউ জিলাত আয়োজন কৰা কাৰ্যসূচীৰ বিষয়ে পৰিবহণ, পাৰ্বত্য এলেকা বিভাগৰ মন্ত্ৰী যোগেন মহনে সংবাদমেলযোগে এইদৰে অৱগত কৰে।

**বাইট (যোগেন মহন)**

হোজাই জিলাত সেৱা সপ্তাহ উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ নগৰত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী উপস্থিত থাকে।

গোলাঘাট, ডিব্ৰুগড়, শিৱসাগৰ, মাজুলী, ধেমাজি, পশ্চিম কাৰ্বি আংলঙৰ লগতে গোৱালপাৰা, ধুবুৰী, নলবাৰী আদি জিলাতো **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ** শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়।

০০০০০

ভাৰতীয় বৈদেশিক সেৱাৰ জ্যেষ্ঠ বিষয়া গৌৰাংগ লাল দাসক দক্ষিণ কোৰিয়াৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তি অনুসৰি শ্ৰীদাসে শীঘ্ৰে ছিউলত ভাৰতীয় ৰাষ্ট্ৰদূত ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিব।

১৯৯৯ চনৰ ভাৰতীয় বৈদেশিক সেৱাৰ বিষয়া অসম সন্তান গৌৰাংগ লাল দাসে ইয়াৰ আগতে কেইবাখনো বিদেশী ৰাষ্ট্ৰত কূটনীতিবিদ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। চীনা আৰু কম্বোডিয়ান ভাষাকে ধৰি কেইবাটাও বিদেশী ভাষাত ব্যুৎপত্তি থকা গৌৰাংগ লাল দাসে যোৱা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিন পিনৰ মাজৰ শীৰ্ষ বৈঠকত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অসম আৰু তামিলনাডু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অধীনত ৩৪২ কোটিৰো অধিক টকাৰ অনুদান মোকলাই দিছে। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কৈছে, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমলৈ ২১৪  আৰু তামিলনাডুলৈ ১২৭ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে। এই ধনৰাশি অনাময় আৰু মুকলিত মলত্যাগ অভ্যাসৰ বিলুপ্তি, ঘৰুৱা আৱৰ্জনাৰ ব্যৱস্থাপনা আৰু পুনৰ ব্যৱহাৰ, খোৱাপানী যোগান, বৰষুণৰ পানীৰ সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰৰ দৰে বুনিয়াদী সেৱাৰ বাবে ব্যৱহাৰ কৰা হ'ব।

০০০০০

বৰপেটা জিলাৰ বাঘবৰ ৰাজহ চক্ৰৰ তদানীন্তন চক্ৰ বিষয়া তথা বৰ্তমান কামৰূপ জিলাৰ গৰৈমাৰীৰ ৰাজহ চক্ৰ বিষয়া নূপুৰ বৰাৰ পৰা পুনৰ ২৩ লাখ ৭৫ হাজাৰ টকা উদ্ধাৰ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ এটা দলে নূপুৰ বৰাক লগত লৈ বৰপেটা ৰোডৰ শিমলাগুৰিত অৱস্থিত ভাৰতীয় ষ্টেট বেংকৰ শাখাৰ এটা ল'কাৰৰ পৰা এই বৃহৎ ধনৰাশি উদ্ধাৰ কৰে। উদ্ধাৰ কৰা নগদ ধনখিনি এটা ট্ৰাংকত ভৰাই অভিযানকাৰী দলটোৱে গুৱাহাটীলৈ লৈ আহে। ল'কাৰ দুটাৰ পৰা ধনৰ বাদে আন কোনো সামগ্ৰী উদ্ধাৰ হোৱা নাই বুলি মুখ্যমন্ত্ৰীৰ তদাৰকী শাখাৰ আৰক্ষী অধীক্ষক ৰজী কলিতাই জানিবলৈ দিয়ে।

ooooo

বিটিচি নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাথো দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। বিটিআৰৰ অন্তৰ্গত কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাত বিজেপিৰ লগতে ইউ পি পি এল, বিৰোধী দল কংগ্ৰেছ, বি পি এফ, অসম গণ পৰিষদে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা আৰু যমদুৱাৰত বিজেপিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ওদালগুৰি জিলাত বিজেপি, ইউ পি পি এল, বি পি এফ, কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ৰাইজৰ দলকে ধৰি কেইবাটাও দলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপি দলে জিলাখনৰ ৭টা সমষ্টিত প্ৰক্ষেপিত প্ৰাৰ্থীক জয়ী কৰোৱাৰ বাবে মন্ত্ৰী পীযূষ হাজৰিকাৰ পৰামৰ্শ অনুসৰি কেইবাগৰাকীও বিধায়ক আৰু দলীয় নেতা-কৰ্মীয়ে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ইপিনে জিলা প্ৰশাসনেও ভোটগ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। ওদালগুৰি জিলাত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আকাশবাণীৰ আমাৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয়–

**ভইচ (নাৰায়ণ ডেকা)**

বাক্সা জিলাৰ ভলুকামুৰীত ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে বিটিআৰ প্ৰধান বড়োৱে মদাহী জনগোষ্ঠীৰ সৈতে মত বিনিময় কৰে।

ooooo

কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি আৰু উলহ মালহেৰে পালন কৰা হয়। আজি পুৱাৰে পৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপসমূহত বিশ্বখনিকৰক আৰাধনা কৰা হয়। এই পূজাৰ লগে লগে ৰাজ্যখনত শাৰদীয় পূজাৰ পৰিৱেশৰো সূচনা হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজা অনুষ্ঠিত হয়। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদিও অনুষ্ঠিত হৈছে।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হয়। এই পূজাত কেন্দ্ৰটোৰ বিষয়া-কৰ্মীসকলে বিশ্ব খনিকৰৰ আশীষ গ্ৰহণ কৰে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত আজি এই পূজা অনুষ্ঠিত হয়। জিলা আয়ুক্ত কাৰ্যালয়, লোকনিৰ্মাণ বিভাগ, জলসিঞ্চন, জলসম্পদ বিভাগৰ লগতে জিলা সাংবাদিক সন্থাইও পূজা পালন কৰে।

ধুবুৰী জিলাত আজি উলহ-মালহেৰে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হয়। জিলাখনৰ বিলাসীপাৰা, গোলকগঞ্জ আৰু গৌৰীপুৰৰ কল-কাৰখানা, ব্যক্তিগত প্ৰতিষ্ঠান আদিত বৈদিক নিয়মেৰে এই পূজা পালন কৰা হয়।

নলবাৰী জিলাৰো বাছ আস্থান, গেৰেজ, কল-কাৰখানা আৰু বিভিন্ন প্ৰতিষ্ঠানত আড়ম্বৰপূৰ্ণভাৱে বিশ্বকৰ্মা পূজা অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীতো আজি বিশ্বকৰ্মা পূজা উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। জিলাখনৰ মানকাচৰ, হাটশিঙিমাৰী, দক্ষিণ শালমাৰা আৰু ফকিৰগঞ্জৰ বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানত আদিত এই পূজা অনুষ্ঠিত কৰা হয়। হোজাই জিলাতো জনসাধাৰণে বিভিন্ন স্থানত শ্ৰদ্ধা-ভক্তি সহকাৰে বিশ্ব খনিকৰক আৰাদনা কৰে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন উদ্যোগ, ছপাশাল, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়, বাছ আস্থান, গেৰেজ আদিত বিশ্বকৰ্মা পূজা অনুষ্ঠিত হয়।

ooooo

মণিপুৰৰ কেইবাখনো জিলাত শেহতীয়াকৈ সৃষ্টি হোৱা বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনৰ বিদ্যালয়-মহাবিদ্যালয়সমূহ কাইলৈ পৰ্যন্ত বন্ধ ৰখাৰ বাবে নিৰ্দেশ দিয়া হৈছে। ৰাজ্যিক বিদ্যালয় শিক্ষা সঞ্চালকালয় আৰু উচ্চ শিক্ষা আৰু বিশ্ববিদ্যালয় সঞ্চালকালয়ে এই সন্দৰ্ভত জাননী জাৰি কৰিছে। উল্লেখযোগ্য যে ৰাজ্যখনৰ পূব ইম্ফল আৰু থৌবাল জিলাৰ বিস্তীৰ্ণ অঞ্চল বানৰ কবলত পৰিছে। উখৰুল জিলাৰ ২০২ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ধাৰাষাৰ বৰষুণৰ ফলত ভূমিস্খলনৰ ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত ঘাইপথটোৰে যাত্ৰাবাহী বাহন আৰু বাণিজ্যিক বাহনৰ চলাচল ব্যাহত হৈছে। ৰাজ্যখনৰ উপত্যকা জিলাসমূহৰ মাজেৰে বৈ যোৱা মূল নদীসমূহৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। থৌবাল, ইম্ফল, ইৰিল আৰু নাম্বুল নদীৰ জলস্তৰ বিপদসীমাৰ ওপৰত আছে। ইম্ফল পূব জিলাৰ লামলাই বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাটাও অঞ্চলত বান পৰিস্থিতি গুৰুতৰ হৈ পৰিছে। বিষ্ণুপুৰ আৰু কাকচিং জিলাৰ কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে।

০০০০০

সেৱা আৰু সু-শাসনৰ মন্ত্ৰৰে পৰিচালিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে পৰিৱৰ্তন আৰু প্ৰগতি ৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। সেৱা পৰ্ব প্ৰতিবেদনলানিত আজি আমি মোদী চৰকাৰে কিদৰে আন্তৰাষ্ট্ৰীয় সৌৰ জোটৰ মাধ্যমেৰে ভাৰতবৰ্ষক গোলকীয় পৰ্যায়ত অগ্ৰণী দেশৰূপে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে সেই বিষয়ে ক'বলৈ ওলাইছো।

--- ভইচ ---

**(জলবায়ু পৰিৱৰ্তনৰ বিভিন্ন সমস্যাৰ সমধান সূত্ৰৰ পৰা সেউজ ইন্ধনলৈকে ভাৰতে ৰাষ্ট্ৰীয় স্বাৰ্থৰ কথা বিবেচনা কৰি আন্তৰাষ্ট্ৰীয় আলোচনাত আগভাগ লৈ আহিছে। প্ৰধানমন্ত্ৰী মোদীয়ে দায়বদ্ধতা আৰু সৰ্বাত্মকতাৰে এই প্ৰচেষ্টাসমূহত আগ ভাগ লৈ আহিছে। আন্তৰাষ্ট্ৰীয় সৌৰ জোটৰ মাধ্যমৰে গ্ৰহণ কৰা জলবায়ু বিষয়ক প্ৰচেষ্টাত এই দৰ্শন প্ৰতিফলিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তেতিয়াৰ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ফ্ৰান্স'ৱা অ'লাণ্ডে ২০১৫ চনত পেৰিছত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন বিষয়ক ক'প ২১ শীৰ্ষ সন্মিলনত আই এছ এ' অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁট মুকলি কৰিছিল। বিশ্বৰ ১২০ খন ৰাষ্ট্ৰই স্বাক্ষৰ কৰা এই আই এছ এৰ লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত বিশ্বত এহেজাৰ বিলিয়নতকৈয়ো অধিক ডলাৰ সৌৰশক্তি উৎপাদনত বিনিয়োগ কৰা।**

**নতুন দিল্লীত অনুষ্ঠিত আন্তৰাষ্ট্ৰীয় সৌৰজোটৰ প্ৰথম লানি সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে এই জোট বিশ্বৰ বাবে আশাৰ ৰেঙণিৰূপে পৰিগণিত হোৱা বুলি উল্লেখ কৰিছিল। এটা সূৰ্য, এখন পৃথিৱী আৰু এটা গ্ৰীডৰ লক্ষ্যৰে ভাৰতে আৰম্ভ কৰা এই প্ৰয়াসৰ দ্বাৰা সমগ্ৰ বিশ্বক এটা সৌৰ গ্ৰীডৰ অন্তৰ্ভুক্ত কৰিবলৈ বিচৰা হৈছে।)**

০০০০০

সেৱা পৰ্ব উপলক্ষে আকাশবাণী গুৱাহাটীয়ে প্ৰচাৰ কৰি থকা অনুষ্ঠানলানিৰ অংশ হিচাপে কাইলৈ বিয়লি ৩ বাজি ২ মিনিটত অৰ্থনৈতিক সংস্কাৰৰ জৰিয়তে প্ৰশাসনীয় প্ৰগতি বিষয়ক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত বিশিষ্ট অৰ্থনীতিবিদ দেৱজিৎ মহন্তৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

কাছাৰ জিলাৰ শিলচৰৰ জয়ন্ত নাৰায়ণ দাসক পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। উত্তৰ-পূবৰ প্ৰথমজন ব্যক্তি হিচাপে দাস পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে। শেহতীয়াকৈ তেওঁ ইন্দ্ৰধনুষ গেছ গ্ৰীড লিমিটেডৰ মহাপ্ৰবন্ধক হিচাপে কৰ্মৰত হৈ আছিল।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত অনুষ্ঠিত সেৱা সপ্তাহৰ অংশ হিচাপে মহিলাসকলৰ স্বাস্থ্যক প্ৰাধান্য দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য প্ৰদেশৰ পৰা সুস্থ নাৰী সবল পৰিয়াল শীৰ্ষক বিশেষ অভিযান উদ্বোধন কৰে।

ৰাজ্য চৰকাৰেও এই অভিযানৰ জৰিয়তে মহিলাৰ স্বাস্থ্যত বিশেষ গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ অধীনত গুৰুত্বপূৰ্ণ স্বাস্থ্যসূচক সমূহৰ মূল্যায়ন আৰু আগতীয়াকৈ ৰোগ চিনাক্ত কৰণ নিশ্চিত কৰাৰ উদ্দেশ্যে সমগ্ৰ ৰাজ্যত অহা পযেকত ১৪ হাজাৰ ৬৯০টা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হ'ব। কিছু সময় পূৰ্বে বঙাইগাঁৱৰ পৰা এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়।

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সুস্থ নাৰী সবল পৰিয়াল কাৰ্যসূচীৰ অধীনত আজি ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন, মহিলা আৰু শিশু কল্যাণ বিভাগৰ প্ৰধান সচিব মুকেশ চাহু, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন অসমৰ সঞ্চালক ডাঃ এছ লক্ষ্মণন প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

এই কাৰ্যসূচীৰ অংশ হিচাপে এইমছ গুৱাহাটীত আজি এটা স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজিৰে পৰা ২ অক্টোবৰলৈ গ্ৰহণ কৰা অভিযানৰ অংশ হিচাপে এই শিবিৰ মুকলি কৰা হৈছে। বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই শিবিৰটো মুকলি কৰে। কাৰ্যসূচীৰ অধীনত ৰক্তদান অভিযান, পুষ্টি অভিযান, মহিলাৰ কৰ্কট ৰোগ, মানসিক স্বাস্থ্য আৰু ঋতুস্ৰাৱৰ স্বাস্থ্যবিধি সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে স্বাস্থ্য পৰীক্ষাও কৰা হ'ব।

ooooo

স্পীনাৰ বৰুণ চক্ৰৱৰ্তী আই চি চি টি-২০ আন্তঃৰাষ্ট্ৰীয় ৰেংকিঙত বিশ্বৰ ১ নম্বৰ বলাৰ হিচাপে পৰিগণিত হৈছে। চক্ৰৱৰ্তীয়ে নিউজিলেণ্ডৰ বেগী বলাৰ জেকব ডাফিক চেৰ পেলাই টি-২০ বলাৰৰ ৰেংকিঙত শীৰ্ষস্থান দখল কৰিছে। ৩৪ বছৰীয়া চক্ৰৱৰ্তী যশপ্ৰীত বুমৰা আৰু ৰবি বিষ্ণইৰ পাছত এই কৃতিত্ব অৰ্জন কৰা তৃতীয়গৰাকী ভাৰতীয় বলাৰ হিচাপে পৰগণিত হৈছে। ভাৰতৰ অক্ষৰ পেটেল আৰু কুলদীপ যাদৱো ৰেংকিঙত ওপৰলৈ উঠিছে। পেটেল সম্প্ৰতি ১২ নম্বৰ আৰু কুলদীপ যাদৱ ১৬ নম্বৰ স্থানত আছে।

ooooo

এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি ডুবাইত হ'বলগীয়া খেলত পাকিস্তান সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাৰ অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত